## যোৰহাটৰ 'অমৰাৱতী', অনুপম ভূঞা মধ্য ইংৰাজী বিদ্যালয়ত নেইষ্টৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰী

# মানৱ, জীৱ-জন্তু, কীট-পতংগৰ ক্ষতি নোহোৱাকৈ, পৰিৱেশ বিনষ্ট নকৰাকৈ বিজ্ঞানীসকলে উদ্ভাৱন কৰিব লাগে

**পশ্চিম যোৰহাটৰ প্ৰতিবেদক, ১১ জুন ঃ** 'ভেষজ আৰু বনৌষধ কেৱল মানৱৰ স্বাস্থ্যৰক্ষাৰ বাবেই নহয়, কৃষিটো প্ৰয়োগ কৰিব লাগে। সমগ্ৰ পৃথিৱীখনৰে পৰিৱেশ বৰ্তমান বিনষ্ট হৈ পৰিছে। বিজ্ঞানীসকলে মানৱৰ লগতে জীৱ-জন্তু, কীট-পতংগৰো ক্ষতি নোহোৱাকৈ, পৰিৱেশ বিনষ্ট নকৰাকৈ উদ্ভাৱন কৰিব লাগে। এনে গৱেষণাৰ বাবে, উদ্ভাৱনৰ বাবে চি এছ আই আৰ-যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-এ ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ৰ লগত এক চুক্তিবদ্ধ হৈছে।' যোৰহাটৰ নিমাতী বৰআলিৰ কাষৰ পটীয়া ফকলা পথাৰত নিৰ্মিয়মান বৃদ্ধাশ্ৰম 'অমৰাৱতী'ত উপস্থিত হৈ চি এছ আই আৰ-যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-ৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীয়ে এনেদৰে কয়। অমৰাৱতী বৃদ্ধাশ্ৰমৰ প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ মহন্ত আৰু বিষয়ববীয়া ড° বিমলা বৰুৱাই আঁত ধৰা, কাৰ্যকৰী সভাপতি ড° নিৰ্মল চন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাত নেইষ্টত সঞ্চালকৰূপে যোগদান কৰি ১১৫ দিন কাৰ্যনিৰ্বাহ কৰা ড° জি নৰহৰি শাস্ত্ৰীক অমৰাৱতীৰ তৰফৰ পৰা ফুলাম গামোচাৰে প্ৰথমতে আদৰণি জনোৱা হয়। নেইষ্টে উদ্ভাৱন কৰি উলিওৱা গাঁঠিৰ বিষৰ মলম 'অৰ্থাডক্স' বিনামূলীয়াকৈ অমৰাৱতীৰ সৈতে জড়িত ব্যক্তিসকলৰ লগতে আৱাসীসকলক প্ৰদানৰ উদ্দেশ্যে নেইষ্টৰ বিজ্ঞানী ড° মণ্টু ভূঞা, ড° যতীন কলিতা, সঞ্জয় কুমাৰ চন্দ, বিনোদ কলিতা আদিৰ সৈতে উপস্থিত হোৱা সঞ্চালকজনে চি এছ আই আৰ-যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-এ বৰ্তমানলৈকে উদ্ভাৱন কৰা বিভিন্ন সম্পদসমূহৰ বিষয়েও উল্লেখ কৰাৰ লগতে ৰাজ্যখনৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ মহিলা সৱলীকৰণৰ বাবে বৰ্তমান ৰূপায়ণ কৰি থকা কাৰ্যসমূহৰ সম্পৰ্কেও উল্লেখ কৰে। 'গ্ৰামীণ মহিলা পাৰ্ক' প্ৰতিষ্ঠা কৰি মহিলাসকলক স্বাৱলম্বী হ'ব পৰাকৈ বিভিন্ন বিষয়ত বিনামূলীয়াকৈ প্ৰশিক্ষণ দি থকা



বুলিও উল্লেখ কৰে। মানৱৰ জীৱনটোত কমেও ২৫ বছৰলৈকে শিক্ষা গ্ৰহণত, ৩৫ বছৰৰ ভিতৰত বিবাহৰ সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ পাছত চাকৰি কৰি ৬০ বছৰতে অৱসৰ গ্ৰহণ কৰিবলগীয়া হয়। সেয়ে অৱসৰৰ পাছৰ সময়চোৱা সমাজৰ প্ৰতি বৰঙণি যোগোৱা কামত জড়িত হোৱা উচিত বুলি সঞ্চালকজনে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। স্বাস্থ্যৰ প্ৰতি যত্ন ল'লে মানৱৰ জীৱনকাল এশ বছৰৰো অধিক কৰিব পাৰি বুলি সঞ্চালকজনে কয়। মহাভাৰত, শ্ৰীমদ্ভাগৱত আদি ধৰ্মশাস্ত্ৰৰ উদাহৰণ দি শ্ৰীমন্ত শংকৰদেৱৰ নাম উল্লেখ কৰি সঞ্চালকজনে কয়, 'উপদেশ দিয়া অতি সহজ, কিন্তু কাম কৰা বৰ কঠিন।' ৰাছিয়া ধনী দেশ, বাসিন্দাসকল দুখীয়া। সেইদৰে ভাৰতবৰ্ষ দুখীয়া দেশ, কিন্তু বাসিন্দাসকল প্ৰায়ে চহকী। সেয়ে সকলোৱেই দুখীয়া দেশখনক চহকী কৰাৰ বাবেহে কাম কৰা উচিত। নেইষ্টে ভেষজ আৰু বনৌষধিৰ দ্বাৰা প্ৰস্তুত কৰা গাঁঠিৰ বিষয় মলম 'অৰ্থাডক্স'ৰ একোটাকৈ পেকেট অমৰাৱতীৰ সৈতে জড়িত শতাধিক ব্যক্তিৰ লগতে আৱাসী সাতগৰাকী মহিলা আৰু কৰ্মচাৰীসকলক বিনামূলীয়াকৈ প্ৰদান কৰে। তাৰ পাছত অমৰাৱতীৰ চৌপাশ পৰিদৰ্শন কৰি সঞ্চালকজনে সন্তোষ প্ৰকাশ কৰে। অমৰাৱতীৰ চৌহদত ভেষজ আৰু বনৌষধিৰ গছ ৰোপণৰ বাবে অমৰাৱতীৰ তৰফৰ পৰা প্ৰকল্পৰ ৰূপায়ণৰ বাবে নেইষ্টৰ সঞ্চালকজনক আহ্বান জনোৱা হয়। নেইষ্টৰ চিকিৎসক ডাঃ থানেশ্বৰ বৰাই অমৰাৱতীৰ আৱাসী সাতগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰি ব্যৱস্থা-পত্ৰ প্ৰদান কৰে। তদুপৰি চিকিৎসকজনে অমৰাৱতী নিৰ্মাণৰ ব্যয় কৰিবলৈ দহ হেজাৰ টকাৰ ধনাদেশ প্ৰদান কৰে। নেইষ্টৰ কাষৰ পকীমূৰি হাবিগাঁও চন্দ্ৰধৰ বৰুৱা নগৰৰ অনুপম ভূঞা মধ্য ইংৰাজী বিদ্যালয়ত পুৱা ৮.৩০ বজাত নেইষ্টৰ সঞ্চালকজন বিজ্ঞানী ড° মণ্টু ভূঞা, ড° যতীন কলিতা, সঞ্জয় কুমাৰ চন্দৰ সৈতে উপস্থিত হয় আৰু গাঁওখনৰ বাসিন্দাসকলক নেইষ্টত উদ্ভাৱিত গাঁঠিৰ বিষৰ মলম বিনামূলীয়াকৈ প্ৰদান কৰে। উক্ত একোটা মলমৰ বজাৰ মূল্য বৰ্তমান তিনিশ টকা। বিদ্যালয়খনৰ শিক্ষক কৃপাল দত্তই আঁত ধৰা, অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ চন্দ্ৰ বৰা, শিক্ষক সুৰজিৎ বৰা, পুষ্প বৰা, স্থানীয় দ্বিজেন বৰবৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থকা অনুষ্ঠানত স্থানীয় সংবাদদাতা ৰমেন শইকীয়াই নেইষ্টৰ শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ পৰা গ্ৰামাঞ্চলৰ ৰাইজৰ ওচৰলৈ প্ৰথম ওলাই অহা সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীয়েই 'প্ৰথম' বুলি উল্লেখ কৰি নেইষ্টে বৰ্তমানলৈকে উদ্ভাৱন কৰা সামগ্ৰীসমূহৰ ভিতৰৰে খোৱাপানীৰ ফিল্টাৰ আৰু ধূলি উৰি নোযোৱা চক্‌মাটি নেইষ্টৰ চৌপাশৰ শিক্ষানুষ্ঠানসমূহত বিনামূলীয়াকৈ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ সঞ্চালকগৰাকীক আহ্বান জনায়। সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীৰ লগতে বিজ্ঞানী ড° মণ্টু ভূঞা, ড° যতীন কলিতাই ভাষণ আগবঢ়োৱা অনুষ্ঠানত সঞ্চালকজনে শিক্ষানুষ্ঠানখনৰ উন্নয়নৰ বাবে দহ হেজাৰ টকা ব্যক্তিগতভাৱে প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াত স্থানীয় কৃষ্ণ শৰ্মায়ো শিক্ষানুষ্ঠানখনৰ উন্নয়নৰ বাবে পাঁচ হেজাৰ টকা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়ে।